# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 10-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নামিবিয়া ভ্ৰমণৰ সময়ত দুয়ো দেশৰ মাজত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাঁচিত হ'বলগীয়া ২৭ সংখ্যক পূব মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব।

৩। কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে ৰাজহুৱা অভিযোগসমূহ নিষ্পত্তি ব্যৱস্থাৰ সংস্কাৰত গুৰুত্ব দিছে। *আৰু*

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল'ৰ্ডছত আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘানা, ট্ৰিনিদাদ আৰু টবেগ', আৰ্জেণ্টিনা, ব্ৰাজিল আৰু নামিবিয়া- এই পাঁচদেশীয় ভ্ৰমণৰ সফল সামৰণি পৰিছে। প্ৰধানমন্ত্ৰীয়ে শেষ পৰ্যায়ৰ ভ্ৰমণত ভাৰত আৰু নামিবিয়াই প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিত নামিবিয়াত উদ্যমিতা বিকাশ কেন্দ্ৰ আৰু স্বাস্থ্য তথা ঔষধৰ ক্ষেত্ৰত সহযোগিতা স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণকালতে নামিবিয়াত তিনিটা বৃহৎ ঘোষণা কৰা হয়। চলিত বৰ্ষৰ শেষৰফালে দেশখনত ডিজিটেল লেনদেন ব্যৱস্থা মুকলি আৰু ভাৰতে নেতৃত্ব দিয়া সংহত দুৰ্যোগ স্থিতিস্থাপকতা আন্তঃগাঁথনিৰ লগতে গোলকীয় জৈৱ ইন্ধন সহযোগিতাৰ ক্ষেত্ৰত এই ঘোষণা কৰা হয়।

প্ৰধানমন্ত্ৰী মোদী কালি নামিবিয়াৰ ৰাজধানী ৱিণ্ডহোকত দেশখনৰ ৰাষ্ট্ৰপতি ড০ নেটুম্বো নন্দি নডিটৱাহৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত নতুন নতুন ক্ষেত্ৰৰ সহযোগিতাৰ অন্বেষণৰ জৰিয়তে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক অংশীদাৰীত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত স্বাস্থ্য সেৱা আৰু ঔষধ, গোলকীয় জৈৱ ইন্ধন, আন্তঃগাঁথনি পৰিকাঠামো আৰু উদ্যোগ খণ্ডত সহযোগিতাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব ডাম্মু ৰবিয়ে কয়, যে বিশ্বৰ ভিতৰত এন পি চি আই থকা নামিবিয়াই হৈছে বিশ্বৰ প্ৰথমখন দেশ, যিয়ে ইউ পি আইৰ দৰে বিত্তীয় লেনদেন ব্যৱস্থা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় বেংকৰ সৈতে প্ৰযুক্তিগত চুক্তি সম্পন্ন কৰিছে। নামিবিয়াৰ ৰাষ্ট্ৰপতি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণকালত সন্ত্ৰাসবাদ নিৰ্মূল আৰু বিভিন্ন প্ৰতিষ্ঠানৰ সংস্কাৰ সাধনৰ ক্ষেত্ৰতো আলোচনাত মিলিত হয়। আমাৰ আকাশবাণীৰ সংবাদদাতাই প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু নামিবিয়াৰ মাজত অংশীদাৰিত্বৰ ক্ষেত্ৰত এটা নতুন আৰম্ভণি সূচনা কৰিব বুলি প্ৰতিবেদন প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাঁচিত হ’বলগীয়া ২৭ সংখ্যক পূব মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকত দেশৰ পূব অঞ্চলৰ ৰাজ্য- ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিমবংগৰ ৭০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী মোহনচৰণ মাঝি, উপ-মুখ্যমন্ত্ৰী পাৰ্বতী পৰিদা, মন্ত্ৰী মুকেশ মহালিংগমে ওড়িশাক প্ৰতিনিধিত্ব কৰিব। বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সমৰাট চৌধাৰী আৰু পশ্চিমবংগৰ মন্ত্ৰী চন্দ্ৰিকা ভট্টাচাৰ্যই ৰাজ্য দুখনৰ হৈ এই বৈঠকত প্ৰতিনিধিত্ব কৰিব। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে মুখ্য সচিব, গৃহ সচিব, আৰক্ষী মহানিৰ্দেশক আৰু বিভিন্ন বিষয়াৰ সৈতে এই বৈঠকত ঝাৰখণ্ডক প্ৰতিনিধিত্ব কৰিব। বৈঠকত ঝাৰখণ্ড, বিহাৰ, ওড়িশা আৰু পশ্চিমবংগৰ মাজৰ আন্তঃৰাজ্যিক বিষয়সমূহ আলোচনা কৰাৰ লগতে পূৰ্বৰ পৰিষদীয় বৈঠকৰ অগ্ৰগতি আৰু সিদ্ধান্তসমূহৰ পৰ্যালোচনা কৰা হ’ব।

০০০০০০

জনসাধাৰণৰ সন্তুষ্টিৰ বাবে ৰাজহুৱা অভিযোগসমূহ নিষ্পত্তিৰ ক্ষেত্ৰত মৌলিক পৰিৱৰ্তন অনাটো প্ৰয়োজনীয় বুলি কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে প্ৰকাশ কৰে। নতুন দিল্লীত অনুষ্ঠিত এখন ৰাষ্ট্ৰীয় কৰ্মশালাত ড০ সিঙে কয়, যে প্ৰশাসনীয় নিয়ম আৰু নীতিৰ ক্ষেত্ৰত সুৰুঙাসমূহ দেখুৱাই বিশেষ ভূমিকা গ্ৰহণ কৰা অভিযোগসমূহক আমি সুযোগ বুলি গ্ৰহণ কৰা উচিত। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ব্যৱস্থাৰ সংস্কাৰ সাধন আৰু দৈনন্দিন জীৱন সুচল কৰি তোলাৰ ক্ষেত্ৰত অভিযোগসমূহ এক সাধন হ’ব পাৰে।

০০০০০

অনা বেংকীয় বিত্তীয় প্ৰতিষ্ঠানসমূহে গ্ৰাহক সুৰক্ষা,বিপদ ব্যৱস্থাপনাক একত্ৰিত কৰি প্ৰতিষ্ঠানৰ নৈতিকতা তথা মূল বৈশিষ্ট্যত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে গুৰুত্ব আৰোপ কৰে। নতুন দিল্লীত এন বি এফ চি চিম্পোজিয়াম ২০২৫ ত ভাষণ দি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে অনা বেংকীয় বিত্তীয় প্ৰতিষ্ঠানসমূহ পৰিপক্ক হোৱাৰ লগে লগে বিপদ ব্যৱস্থাপনাৰ ক্ষেত্ৰতো গুৰুত্ব বৃদ্ধি পাব লাগে। শ্ৰী সীতাৰমণে লগতে উল্লেখ কৰে যে শেহতীয়াকৈ লোৱা বিভিন্ন নিয়ন্ত্ৰণমূলক ব্যৱস্থাই ঋণৰ সম্ভাৱনা অধিক উন্নত কৰাৰ লগতে খণ্ডটোৰ বাবে সামগ্ৰিক পুঁজিৰ পৰিৱেশ শক্তিশালী কৰাৰো আশা কৰা হৈছে। ঋণৰ লেন দেনৰ জৰিয়তে অনা বেংকীয় বিত্তীয় প্ৰতিষ্ঠান আৰু বেংকৰ মাজত সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰতো মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বিত্তীয় অন্তৰ্ভুক্তিৰ নামত বিত্তীয় শোষণ গ্ৰহণযোগ্য নহয়। গ্ৰাহকৰ প্ৰকৃত প্ৰয়োজন আৰু ঋণ পৰিশোধৰ ক্ষমতাৰ ওপৰত ভিত্তি কৰি ঋণ প্ৰদান কৰিব লাগে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

০০০০০

ৰাজস্থানৰ চুৰু জিলাৰ সমীপৰ ৰাজলডেছৰ আৰক্ষী চকীৰ এলেকাত কালি বায়ুসেনাৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হয়। নিয়মীয়া প্ৰশিক্ষণৰ সময়তে এই বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। চুৰুৰ আৰক্ষী অধীক্ষকে জনোৱা মতে দুৰ্ঘটনা সংঘটিত স্থানৰ পৰা দুটা অগ্নিদগ্ধ মৃতদেহ উদ্ধাৰ কৰা হয়। এই ঘটনাত কোনো অসামৰিক লোক

হতাহত হোৱা নাই বুলি তেওঁ লগতে প্ৰকাশ কৰে। ইপিনে বায়ুসেনাৰ এই জেগুৱাৰ প্ৰশিক্ষণ বিমানখনৰ দুৰ্ঘটনাৰ তদন্তৰ বাবে এটা তদন্তকাৰী দল গঠন কৰা হৈছে।

০০০০০

ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে সামগ্ৰী আহৰণ কৰিবলৈ ই-বাণিজ্য মঞ্চসমূহৰ ব্যৱহাৰ কৰা হয়। সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগানৰ ঘটনা নিৰীক্ষণৰ বাবে থকা গোলকীয় সংস্থা বিত্তীয় কাৰ্যবাহিনী এফ এ টি এফয়ে এই কথা প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ পুলৱামা আৰু উত্তৰ প্ৰদেশৰ গোৰখনাথ মন্দিৰৰ হোৱা আক্ৰমণত এই কথা পোহৰলৈ আহিছে। এফ এ টি এফয়ে সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগান সম্পৰ্কীয় বিস্তৃত প্ৰতিবেদনত সন্ত্ৰাসবাদীলৈ পুঁজি যোগানৰ বাবে সামাজিক মাধ্যম, বাৰ্তা প্ৰেৰণৰ এপ আৰু পুঁজি সংগ্ৰহৰ ছাইটসমূহৰ অপব্যৱহাৰ কৰা হৈছে বুলি প্ৰকাশ কৰিছে। প্ৰত্যক্ষ বিত্তীয় সহায়, ৰছদপাতি যোগান আৰু সা-সামগ্ৰী যোগান আৰু প্ৰশিক্ষণ ব্যৱস্থাকে ধৰি বিভিন্ন ক্ষেত্ৰত ভিন ভিন ধৰণে সহায় আগবঢ়োৱা হৈছে বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ২০১৯ চনত সংঘটিত পুলৱামা আক্ৰমণৰ সময়ত এগৰাকী আত্মঘাতী বোমাৰুৱে সুৰক্ষা বাহিনীক লক্ষ্য কৰি লৈছিল আৰু এই আক্ৰমণত ৪০গৰাকী সৈনিক নিহত হৈছিল। জইছ্-ই-মহম্মদে এই আক্ৰমণৰ ষড়যন্ত্ৰ কৰা বুলি তদন্তত প্ৰকাশ পাইছিল। এই আক্ৰমণত ব্যৱহৃত বিস্ফোৰক সঁজুলিৰ এটা গুৰুত্বপূৰ্ণ উপাদান ই-বাণিজ্যিক মঞ্চৰ জৰিয়তে ক্ৰয় কৰা হৈছিল। যোৱা জুনত বিত্তীয় কাৰ্যবাহিনীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি বিত্তীয় সাহায্য অবিহনে এনে ধৰণৰ আক্ৰমণ সম্ভৱ নহয় বুলি প্ৰকাশ কৰিছিল।

০০০০০

দিল্লীৰ এখন আদালতে কালি আজি ২৬ নৱেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰী তাহাবুৰ ৰাণাৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৩ আগষ্টলৈ বৃদ্ধি কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই ৰাণাৰ বিৰুদ্ধে পৰিপূৰক অভিযোগনামা দাখিল কৰাৰ পাছতেই ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। অভিযোগ নামাত গ্ৰেপ্তাৰী পৰোৱানা আৰু জব্দ কৰা অন্য নথিও দাখিল কৰে।

০০০০০

কেন্দ্ৰীয় অনুসন্ধান ব্যুৰ' চিবিআই-য়ে অৰ্থনৈতিক কালি অপৰাধী মণিকা কাপুৰক আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা জিম্মাত গ্ৰহণ কৰি আজি ভাৰতলৈ অনাৰ ব্যৱস্থা কৰিছে। মহিলাগৰাকী ২০০২ বৰ্ষত সংঘটিত আমদানি-ৰপ্তানি সম্পৰ্কীয় এটা জালিয়াতিৰ ঘটনাত অভিযুক্ত হৈ সেই সময়ৰে পৰা পলাতক অৱস্থাত আছে। চিবিআই-য়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে মণিকা কাপুৰে দুজন ভাতৃৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈ গহনাৰ ব্যৱসায়ৰ লগত জড়িত হ'বৰ বাবে নথি-পত্ৰৰ জালিয়াতিৰ আশ্ৰয় লৈছিল। শুল্কবিহীনভাৱে কেঁচা সামগ্ৰী আমদানি কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ অনুজ্ঞাপত্ৰ আহৰণ কৰাৰ কামত তেওঁ এই নথি-পত্ৰসমূহ ব্যৱহাৰ কৰিছিল। আমেৰিকাৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে সৈতে সমন্বয় ৰক্ষা কৰি অভিযুক্ত মহিলাগৰাকীক জিম্মাত ল'বৰ বাবে চিবিআই-য়ে শেহতীয়াকৈ এটা দলক দেশখনলৈ প্ৰেৰণ কৰিছে।

০০০০০

এমিৰেটছ অল্ড ট্ৰেফ’ৰ্ডত যোৱা নিশা অনুষ্ঠিত চতুৰ্থ টি-২০ ইন্টাৰনেচনেলত ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে আয়োজক দেশ ইংলেণ্ডক ছয় উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ইংলেণ্ডে ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১২৬ ৰাণ কৰিবলৈ সক্ষম হয়। প্ৰত্যুত্তৰত ভাৰতে ১৭ অভাৰতে লক্ষ্য পূৰণ কৰে। খেলখনত কালি ভাৰতীয় অ’পেনাৰ স্মৃতি মান্ধানাই ৩২ ৰান আৰু শ্বফালী ভাৰ্মাই ৩১ ৰাণ সংগ্ৰহ কৰে।

০০০০০

কালি স্পেইনত অনুষ্ঠিত মাদ্ৰিদ আৰ্চাৰী বিশ্বকাপৰ চতুৰ্থ পৰ্যায়ত প্ৰৱেশৰ লগে লগে ভাৰতে এটা পদক সুনিশ্চিত কৰিছে। ছেমি ফাইনেলত ভাৰতীয় খেলুৱৈ জ্যোতি সুৰেখা ভেন্নাম,পৃথিকা প্ৰদীপ আৰু পৰ্নীত কৌৰে ইণ্ডোনেছিয়াক ২৩০-২২৬ পইন্টত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় দলটোৱে কোৱাৰ্টাৰ ফাইনেলত এল ছালভাদৰক ২৩৫-২২৬ পইন্টত পৰাস্ত কৰিছিল। ৰেংকিং ৰাউণ্ডত ভাৰতে ২১১৬ পইন্ট সংগ্ৰহ কৰি তালিকাৰ শীৰ্ষস্থান দখল কৰে। ইয়াৰ পাছত চলিত মাহৰ ১২ তাৰিখে ফাইনেলত ভাৰতীয় দলটোৱে চাইনিজ চাইপেইৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ইপিনে ভাৰতীয় পুৰুষ খেলুৱৈ দলটোৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ হাতত এক পইন্টেৰে পৰাস্ত হৈ বিশ্বকাপৰ পদক হেৰুৱায়। দ্বিতীয় ৰাউণ্ডত আজি ভাৰতৰ অংকিতা ভকত, গাথা আনন্দৰাও খাড়াকে আৰু দীপিকা কুমাৰী ফ্ৰান্সৰ মুখামুখি হ’ব।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাৰ তৃতীয়খন টেষ্ট আজি ল’ৰ্ডছত আৰম্ভ হ’ব। এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাত ভাৰত আৰু ইংলেণ্ডে উভয়ে এখনকৈ টেষ্ট মেচত জয়লাভ কৰিছে। তৃতীয় টেষ্টত ভাৰতৰ বেগী বলাৰ জছপ্ৰীত বুমৰাহৰ প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা আছে। দ্বিতীয় টেষ্টৰ বলাৰ ভাৰতীয় প্ৰসিদ্ধ কৃষ্ণাই এই দলটোৰ পৰা বাদ পৰাৰ সম্ভাৱনা আছে। আনহাতে ইংলেণ্ডৰ বেগী বলাৰ জফ্ৰা আৰ্চাৰী কেইবাবছৰো বিৰতিৰ পাছত পুনৰ টেষ্টলৈ প্ৰত্যাৱৰ্তন ঘটাৰ সম্ভাৱনা আছে।

০০০০০

সমাপ্ত